**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***

১। লোকসভাৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চৰকাৰ প্ৰশ্ন কাকত ফাদিলৰ বিষয় লৈ যথেষ্ট উদ্বীগ্ন আৰু দোষীসকলক ৰেহাই দিয়া নহ'ব।

৩। ৰাজ্যৰ শেহতীয়া বানত ২৮খন জিলাৰ ১১ লাখতকৈও অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে।

৪। উত্তৰ প্ৰদেশৰ হাথৰছ জিলাৰ এখন গাঁৱৰ এটা ধৰ্মীয় সমাবেশত কালি সংঘটিত হেঁচা-ঠেলাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১১৬লৈ বৃদ্ধি পাইছে।

আৰু

৫। তুৰস্কই ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooooo

লোকসভাৰ কাৰ্যক্ৰমণিকা কালি অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হয়। নিম্ন সদনে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত দিয়া ভাষণৰ প্ৰতি ধন্যবাদসমূক প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাছতে অধ্যক্ষ ওম বিৰলাই এই কথা ঘোষণা কৰে। শ্ৰীবিৰলাই কয় যে অধিবেশনৰ সময়ছোৱাত ১০৩ শতাংশ কাৰ্য সম্পন্ন হয়। তেওঁ কয় যে এই অধিবেশনত মুঠ ৫৩৯ গৰাকী সাংসদে শপত গ্ৰহণ কৰে। ২৪ জুনত আৰম্ভ হোৱা এই অধিবেশন আজি সমাপ্ত হোৱাৰ কথা আছিল।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি লোকসভাক এইবুলি আশ্বাস দিয়ে যে চৰকাৰ প্ৰশ্ন কাকত ফাদিলৰ বিষয় লৈ যথেষ্ট উদ্বীগ্ন আৰু দোষীসকলক ৰেহাই দিয়া নহ'ব। তেওঁ কয় যে এই সন্দৰ্ভত যুদ্ধকালীন ক্ষিপ্ৰতাৰে প্ৰয়োজনীয় পদক্ষেপ লোৱা হৈছে।

সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতিয়ে দিয়া অভিভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাত উত্তৰ দি প্ৰধানমন্ত্ৰীয়ে কয় যে নীট পৰীক্ষাৰ বিষয় লৈ দেশৰ বিভিন্ন প্ৰান্তত কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু প্ৰক্ৰিয়াটো ক্ৰটিহীন কৰি তোলাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা হৈছে। চৰকাৰে এনে ধৰণৰ বিভিষীকা ৰোধ কৰাৰ বাবে ইতিমধ্যে এখন শক্তিশালী আইন প্ৰণয়ন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

শ্ৰীমোদীয়ে কয় যে জনসাধাৰণে লোকসভা নিৰ্বাচনত সুস্থিৰতা আৰু ধাৰাবাহিকতাৰ হকে জনাদেশ দিছে আৰু তেওঁৰ চৰকাৰে তৃতীয় কাৰ্যকালত তিনিগুণ অধিক শক্তি আৰু গতিৰে কাম কৰি তিনিগুণ সফলতা লাভ কৰিব। কংগ্ৰেছক কটাক্ষ কৰি শ্ৰীমোদীয়ে কয় যে দেশবাসীয়ে দলটোক বিৰোধী পক্ষত বহাৰ বাবে ভোটদান কৰিছে

আৰু মূল বিৰোধী দলটোৱে একেৰাহে তিনিবাৰ সাধাৰণ নিৰ্বাচনত ১০০খন আসন অতিক্ৰম কৰিবলৈ সমৰ্থ হোৱা নাই। তেওঁ কয় যে কংগ্ৰেছ আৰু সমৰ্থকসকলে তেওঁলোকে এন ডি এক পৰাজিত কৰা বুলি জনসাধাৰণক পতিয়ন নিয়াবলৈ চেষ্টা কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে অপপ্ৰচাৰ চলোৱাৰ পাছতো লোকসভা নিৰ্বাচনত সন্মুখীন হোৱা পৰাজয়ৰ বাবে তেওঁলোকে পোৱা বেথাক তেওঁ বাৰুকৈয়ে অনুভৱ কৰিব পাৰিছে। এইবাৰৰ সাধাৰণ নিৰ্বাচনত পৰিপক্কতা আৰু জ্ঞানৰ পৰিচয় দিয়াৰ বাবে শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণক ভূয়সী প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে জনসাধাৰণে তেওঁৰ চৰকাৰৰ নীতি, অভিপ্ৰায় আৰু নিষ্ঠাৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে আৰু সেইবাবে এন ডি এ চৰকাৰক তৃতীয় কাৰ্যকালৰ বাবে ক্ষমতাত অধিষ্ঠিত কৰিছে। শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰে একমাত্ৰ ভাৰত প্ৰথম মূলমন্ত্ৰৰে পৰিচালিত হৈ আহিছে আৰু সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত জনসাধাৰণে চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিলৈ সমৰ্থন আগবঢ়াইছে। শ্ৰীমোদীয়ে কয় যে তেওঁৰ চৰকাৰে একাংশৰ বাবে তোষামোদ নহয় বৰং সকলোৰে বাবে ন্যায়ৰ নীতি অনুসৰণ কৰি আহিছে। বৰ্তমান চৰকাৰে সবকা সাথ সবকা বিকাশ মন্ত্ৰৰে কাম কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে ৰাষ্ট্ৰপতিৰ ভাষণত বিকশিত ভাৰতৰ সংকল্পৰ বিষয়ে বিশদভাৱে কোৱা হৈছে আৰু দেশক আগবঢ়াই নিয়াৰ বাবে কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰা হৈছে। শ্ৰীমোদীয়ে নাম উল্লেখ নকৰাকৈ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীক সমালোচনা কৰি কয় যে নেতাগৰাকীয়ে অগ্নিবীৰ আৰু ন্যূনতম সমৰ্থন মূল্যৰ বিষয় লৈ সদনক বিপথে পৰিচালিত কৰিছে। কংগ্ৰেছে ইয়াৰ অৰ্থনৈতিক নীতি আৰু জাতি তথা অঞ্চল আধাৰিত বিভাজনকামী ৰাজনীতিৰে অৰাজকতা সৃষ্টি কৰা বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে। তেওঁ কয় যে এটা বিশেষ সম্প্ৰদায়ৰ বিৰুদ্ধে ভুৱা অভিযোগ উত্থাপন কৰাৰ ষড়যন্ত্ৰ ৰচা হৈছে আৰু এয়া সঁচাকৈ গুৰুতৰ বিষয়। কংগ্ৰেছক সকিয়াই দি প্ৰধানমন্ত্ৰীয়ে কয় যে দলটোৰ সহযোগী তন্ত্ৰক এনে ষড়যন্ত্ৰৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হ'ব। শ্ৰীমোদীয়ে লগতে কংগ্ৰেছৰ শাসনকালত সেনাবাহিনীৰ ওচৰত বুলেট প্ৰুফ জেকেটো নাছিল বুলি অভিযোগ উত্থাপন কৰে। বফোৰ্ছ কেলেংকাৰি আৰু চাবমেৰিন ক্ৰয়ৰ হোৱা অনিয়মৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ ফলত সশস্ত্ৰ বাহিনীৰ সংস্কাৰ প্ৰক্ৰিয়া ব্যাহত হৈছে। লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে বিধানসভা নিৰ্বাচন অনুষ্ঠিত চাৰিখন ৰাজ্যত এন ডি এই বিপুল ভোটত জয়লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে উত্তৰ প্ৰদেশৰ হাথৰছত হোৱা হেঁচা-ঠেলাৰ ঘটনাত কেইবাগৰাকীও লোকৰ প্ৰাণনাশৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে এই ঘটনাৰ বলি হোৱাসকলক প্ৰয়োজনীয় সকলো সাহায্য আগবঢ়াব। প্ৰধানমন্ত্ৰীয়ে ভাষণ দিয়াৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সদনত প্ৰতিবাদ সাব্যস্ত কৰে। অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ একাংশ সাংসদৰ আচৰণক লৈ অসন্তুষ্টি প্ৰকাশ কৰি তেওঁলোকক সদনত শৃংখলা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। তাৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে শ্লোগান অব্যাহত ৰাখে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰধানমন্ত্ৰীৰ ভাষণৰ সময়ত বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিক গৰিহণা দি এটা প্ৰস্তাৱ উত্থাপন কৰে। গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়ায় আৰু সদনে মৌখিক ভোটত প্ৰস্তাৱটো গ্ৰহণ কৰে।

ৰাজ্যসভাতো কালি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱক লৈ আলোচনা হয়। আলোচনাত অংশগ্ৰহণ কৰি অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই অসমৰ ছটা জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বিষয়টো উত্থাপন কৰে। তেওঁ লগতে বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ দাবী জনায়।

ৰাজ্যখনৰ অবৈধ প্ৰব্ৰজনকাৰীৰ বিষয় লৈ মন্তব্য কৰে আৰু ৰাজ্যখনৰ থলুৱা জনসাধাৰণৰ পৰিচয় সুৰক্ষিত কৰাৰ বাবে পদক্ষেপ লোৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

কংগ্ৰেছ সাংসদ প্ৰমোদ তিৱাৰীয়ে আলোচনাত ভাগ লৈ দেশত মূল্যবৃদ্ধি ৰোধ কৰাৰ বাবে কোনো পদক্ষেপ লোৱা হোৱা নাই বুলি অভিযোগ তোলে। ৰাষ্ট্ৰপতিৰ ভাষণত মণিপুৰৰ অশান্ত পৰিস্থিতিৰ উল্লেখ কৰা হোৱা নাই বুলিও তেওঁ মন্তব্য কৰে। কংগ্ৰেছ সাংসদগৰাকীয়ে নিৰ্বাচনী প্ৰতিশ্ৰুতি সত্বেও বিজেপি বছৰি ২ কোটি চাকৰি প্ৰদানত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে। আলোচনাত অংশ লৈ উচ্চ সদনৰ নেতা জে পি নাড্ডাই ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰশংসা কৰে আৰু ইয়াৰ চৰকাৰৰ অভিপ্ৰায়ৰ প্ৰতিফলন বুলিও অভিহিত কৰে। দেশৰ সাম্প্ৰতিক অৰ্থনৈতিক স্থিতিৰ প্ৰশংসা কৰি সাংসদগৰাকীয়ে ভাৰতবৰ্ষ বিশ্ব অৰ্থনীতিৰ উজ্জ্বল স্থান বুলি মন্তব্য কৰে। ইয়াৰ পূৰ্বে ৰাজ্যসভাৰ তিনিগৰাকী নতুন সাংসদে শপত গ্ৰহণ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত উত্তৰ দিব।

০০০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি শোচনীয় হৈ পৰিছে। শেহতীয়া বানত ৰাজ্যৰ ২৮খন জিলাৰ ১১ লাখতকৈও অধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত ধেমাজি আৰু তিনিচুকীয়া জিলাত তিনিজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ এইবাৰৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৮ লৈ বৃদ্ধি পালে। আনহাতে, বিশ্বনাথ জিলাৰ এজন লোক সন্ধানহীন হৈ আছে। এই বানত ৰাজ্যখনৰ ৮৪টা ৰাজহ চক্ৰৰ দুহেজাৰতকৈও অধিক গাঁও প্ৰভাৱিত হোৱাৰ লগতে ৪২ হাজাৰতকৈও অধিক কৃষিভূমিৰ ক্ষতিসাধন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলো অভিভাৱক মন্ত্ৰী-বিধায়কক বান প্ৰভাৱিত জিলাসমূহৰ উদ্ধাৰ আৰু সাহায্য অভিযান সুক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে কালি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বান পৰিস্থিতিৰ বুজ লয়। উদ্যানখনৰ প্ৰায় ৯৫টা বন পহৰা চকী বানত বুৰ যোৱাৰ লগতে জীৱ-জন্তুসমূহে ওচৰৰ পাহাৰীয়া অঞ্চলত আশ্ৰয় লৈছে। উদ্যান কৰ্তৃপক্ষই জীৱ-জন্তুৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত কিছু নিৰ্দেশনা জাৰি কৰিছে। উদ্যানখনৰ মাজেৰে গধুৰ বাণিজ্যিক বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। ৰাজ্য চৰকাৰে ১৪০টা আশ্ৰয় শিবিৰ আৰু ৩৫৯টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। উদ্ধাৰ আৰু সাহায্য অভিযানত এন-ডি-আৰ-এফ আৰু এছ-ডি-আৰ-এফ বাহিনীক নিয়োগ কৰা হৈছে।

০০০০০০০০০

উত্তৰ প্ৰদেশৰ হাথৰছ জিলাৰ এখন গাঁৱৰ এটা ধৰ্মীয় সমাবেশত কালি সংঘটিত হেঁচা-ঠেলাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১১৬লৈ বৃদ্ধি পাইছে। ফুলৰাই গাঁৱৰ ভোলেবাবা সৎসঙ্গত এই ঘটনা সংঘটিত হয়। চৰকাৰী সূত্ৰৰ পৰা জানিব পৰা মতে ভক্তসকলে অনুষ্ঠান শেষ হোৱাৰ পাছত ভোলেবাবাৰ দৰ্শনৰ বাবে হেতা-ওপৰা কৰাৰ সময়ত এই অঘটন ঘটে। উত্তৰ প্ৰদেশৰ মুখ্য সচিব মনোজ কুমাৰ সিঙে কয় যে বৰ্তমানলৈকে ৭২টা শৱদেহ চিনাক্ত কৰা হৈছে। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ঘটনাটোৰ এটা পুংখানুপুংখ তদন্তৰ নিৰ্দেশ দিছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

তুৰস্কই যোৱা নিশা জাৰ্মানীত অনুষ্ঠিত এখন খেলত অষ্ট্ৰিয়াক ২-১ গ'লত পৰাস্ত কৰি ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। তুৰস্কৰ ডিফেণ্ডাৰ মেৰিহ্ ডেমিৰলে খেল আৰম্ভ হোৱাৰ মাত্ৰ ৫৭ ছেকেণ্ড পাছতে প্ৰথমটো গ'ল দিয়ে। ইয়াৰ লগে লগে ডেমিৰলে ইউৰোপীয় চেম্পিয়নশ্বিপৰ নক-আউট পৰ্যায়ৰ ইতিহাসত দ্ৰুততম গ'ল দিয়াৰ অভিলেখ গঢ়ে। খেলুৱৈগৰাকীয়ে ৫৯ মিনিটত দ্বিতীয়টো গ'ল দিয়ে। অষ্ট্ৰিয়াৰ হৈ মাইকেল গ্ৰেগোৰিট্‌ছে একমাত্ৰ গলটো দিয়ে। তুৰস্কই দেওবাৰে কোৱাৰ্টাৰ ফাইনেলত নেডাৰলেণ্ডছৰ সন্মুখীন হ'ব।

০০০০০০০০০

ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত গ্লোবেল ইণ্ডিয়া এ-আই শীৰ্ষ সন্মিলন ২০২৪ মুকলি কৰিব। এই দুদিনীয়া সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ, নিৰীক্ষণ আৰু প্ৰতিভাত উদগণি তথা কৃত্ৰিম বুদ্ধিমত্তা খণ্ডত উদ্ভাৱনৰ প্ৰসাৰৰ বাবে বিভিন্ন বিষয় লৈ আলোচনা অনুষ্ঠিত হ'ব। মন্ত্ৰালয়ে কৈছে যে সন্মিলনত আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধি, কৃত্ৰিম বুদ্ধিমত্তা বিযেজ্ঞ আৰু নীতি প্ৰণেতাসকলে অংশগ্ৰহণ কৰিব। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি ৰাজ্যমন্ত্ৰী জিতিন প্ৰসাদে সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দিব।

০০০০০০০০০

**সমাপ্ত**